**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 0900 Hrs.

***ASSAMESE REGIONAL MORNING BULLETIN***

**:::::::::::::::::::::::::::::::::::::::**

১। দেশত লোকসভা নিৰ্বাচনৰ পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ প্ৰচাৰ অভিযান অব্যাহত। ২০ মে'ত পঞ্চম পৰ্যায়ত ৪৯টা সমষ্টিত ভোটগ্ৰহণ।

২। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি।

৩। ৰাজ্যৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ ইছৰোৰ অধ্যক্ষ এছ সোমনাথৰ সৈতে আলোচনাত মিলিত।

৪। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ ৬৭ বছৰ পূৰ্ণ। আজি ৬৮ বছৰত পদাৰ্পণ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ৰাজস্থান ৰয়েলছ, পঞ্জাব কিংছৰ মুখামুখি।

০০০০০

দেশত লোকসভা নিৰ্বাচনৰ পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ  বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ষষ্ঠ পৰ্যায়ত ২৫ মে'ত ৫৭টা আৰু সপ্তম পৰ্যায়ত ১ জুনত ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিয়লি মুম্বাইৰ ঘাটকোপাৰত এটা ৰোড শ্ব'ত ভাগ ল'ব। মুম্বাইৰ উত্তৰ-পূব সমষ্টিৰ বিজেপি প্ৰাৰ্থী মিহিৰ কোটেছাৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি পশ্চিমবংগৰ বনগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায়। বনগাঁৱৰ জনসভাত শ্ৰীশ্বাহে নৰেন্দ্ৰ মোদীক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰ বাবে এন ডি এক ভোট দিবলৈ সকলোকে আহ্বান জনায়। তেওঁ লগতে কয় যে, চতুৰ্থ পৰ্যায়লৈকে ভোটগ্ৰহণ হোৱা ৩৮০খন আসনৰ ভিতৰত এন ডি এয়ে ২৭০খন আসন লাভ কৰিব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত এখন জনসভাত অংশগ্ৰহণ কৰে।

বিজেপিৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছেও নিৰ্বাচনী প্ৰচাৰ ব্যাপক কৰি তুলিছে। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে কালি উত্তৰ প্ৰদেশৰ মহাৰাজগঞ্জ আৰু গোৰখপুৰৰ সমীপৰ চৌৰি-চৌৰাত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। জনসভাত তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি প্ৰত্যাহাৰ কৰা হ'ব। কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰে। আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সৈতে কালি ঝান্সিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদীপ জৈনৰ সমৰ্থনত প্ৰচাৰ চলায়।

বিহাৰত বিজেপি, জে দি ইউ, লোকজনশক্তি পাৰ্টী ৰামবিলাস, হিন্দুস্তানী আৱাম মৰ্চা আৰু ৰাষ্ট্ৰীয় মৰ্চাৰ নেতাসকলে ৰাজ্যখনৰ বিভিন্ন স্থানত কালি এন ডি এৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ৰাজ্যখনৰ প্ৰাক্তন উপ-

মুখ্যমন্ত্ৰী সুশিল কুমাৰ মোদীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ তাৰকা প্ৰচাৰকসকলে কালি প্ৰচাৰৰ পৰা আঁতৰি থাকে। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে কালি মহা মিত্ৰজোঁটৰ হৈ প্ৰচাৰ চলায়।

দিল্লীৰ ৭টা লোকসভা সমষ্টিতো প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি উত্তৰ-পূব দিল্লী সমষ্টিত নিৰ্বাচনী সভাত ভাগ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো কালি দিল্লীৰ লক্ষ্মীনগত পূব দিল্লী সমষ্টিৰ বিজেপি প্ৰাৰ্থী হৰ্ষ মালহেট্ৰাৰ হৈ প্ৰচাৰ চলায়।

০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব আৰু শুকুৰবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব। এই পৰ্যায়ত সাতখন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কালি বাৰানসী লোকসভা সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছে মোডীৰ বিৰুদ্ধে পুনৰ অজয় ৰায়ক প্ৰাৰ্থিত্ব দিছে। বিজেপি প্ৰাৰ্থী তথা জনপ্ৰিয় অভিনেত্ৰী কংগনা ৰাণাৱটে হিমাচল প্ৰদেশৰ মাণ্ডি সমষ্টিত মনোনয়ন পত্ৰ দাখিল কৰে। এই আসনখনত কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কংগ্ৰেছ নেতা মনীষ তিৱাৰীয়েও কালি চণ্ডীগড় আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিছে। সমষ্টিটোত বিজেপিয়ে সঞ্জয় টেণ্ডনক প্ৰক্ষেপ কৰিছে।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলে দাখিল কৰা ৯০ শতাংশৰো অধিক অভিযোগ নিষ্পত্তি কৰিছে। আয়োগে এটা বিবৃতিত কয় যে, এই সময়ছোৱাত ৪২৫টা গুৰুতৰ অভিযোগ লাভ কৰিছিল। ইয়াৰ ভিতৰত ৪০০টা নিষ্পত্তি কৰাৰ লগতে প্ৰয়োজনীয় কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। আয়োগে উল্লেখ কৰা মতে ১৭০টা অভিযোগ কংগ্ৰেছ দলে দাখিল কৰাৰ বিপৰীতে ৯৫টা অভিযোগ বিজেপিয়ে আৰু ১৬০টা অভিযোগ অন্য ৰাজনৈতিক দলসমূহে দাখিল কৰিছিল। আয়োগে লগতে কয় যে, নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত কংগ্ৰেছ আৰু বিজেপিয়ে পৰস্পৰৰ বিৰুদ্ধে দাখিল কৰা কেইটামান অভিযোগ বিবেচনাধীন হৈ আছে। উল্লেখযোগ্য যে আয়োগে ইয়াৰ পূৰ্বে কেইবাগৰাকীও ৰাজনৈতিক নেতাক নিৰ্বাচনী আচৰণ বিধি উলংঘা সন্দৰ্ভত ব্যক্তিগত জাননী জাৰি কৰিছে।

০০০০০

ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কালি ভাৰতীয় মহাকাশ গৱেষণা সংস্থা অৰ্থাৎ ইছৰোৰ মুখ্য কাৰ্যালয় **অন্তৰীক্ষ ভৱনত** ইছৰোৰ অধ্যক্ষ তথা কেন্দ্ৰীয় চৰকাৰৰ মহাকাশ বিভাগৰ সচিব এছ পানিকাৰ সোমনাথৰ সৈতে আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে ইছৰোৱে গুৱাহাটীৰ সমীপৱৰ্তী চন্দ্ৰপুৰত স্থাপন কৰিবলৈ লোৱা নেটৱৰ্ক অৱ স্পেচ অৱজেক্ট ট্ৰেকিং এণ্ড এনালাইছিছ চমুকৈ নেট্ৰে প্ৰকল্প সন্দৰ্ভত ইছৰোৰ অধ্যক্ষগৰাকীৰ সৈতে আলোচনা কৰে। এই আলোচনাকালত অসম বিজ্ঞান প্ৰযুক্তি, আৰু পৰিবেশ পৰিষদৰ সঞ্চালক ড০ জয়দীপ বৰুৱা, অসম ৰাজ্যিক মহাকাশ গৱেষণা কেন্দ্ৰৰ সঞ্চালক তথা বিজ্ঞান প্ৰযুক্তিবিদ্যা বিভাগৰ বিশেষ সচিব পি এল এন ৰাজু আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ চৌধুৰী উপস্থিত থাকে। উল্লেখযোগ্য যে মহাকাশ বিষয়ক কাম-কাজ সুৰক্ষিত আৰু বহনক্ষম ৰূপত আগবঢ়াই নিয়াৰ বাবে ইছৰোৱে বিশেষভাৱে মহাকাশ পৰিস্থিতি সজাগতা প্ৰণালী ইতিমধ্যে কাৰ্যকৰী কৰিছে। ইয়াৰ বাবে

বেংগালুৰুত থকা এই প্ৰণালীৰ মূল কক্ষ নেত্ৰৰ পৰা এই প্ৰক্ৰিয়া কাৰ্যকৰী কৰা হৈছে। ইয়াৰ অংশ হিচাপে অসমতো নেত্ৰ প্ৰকল্পৰ কেন্দ্ৰ স্থাপন কৰিবলৈ পৰিকল্পনা লোৱা হৈছে। অসম চৰকাৰে ইয়াৰ বাবে চন্দ্ৰপুৰত ২০০ বিঘা ভূমি ইছ্‌ৰোক আৱণ্টন দিয়াৰ বিষয়ে মন্ত্ৰী মহন্তই  কালি অধ্যক্ষগৰাকীক অৱগত কৰে। তদুপৰি মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে নেত্ৰ কেন্দ্ৰটো নিৰ্মাণকাৰ্যৰ বাবে সকলো সহযোগিতা আগবঢ়াবলৈ চৰকাৰ সাজু থকা বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে মহাকাশ বিষয়ক সম্ভাব্য ভাবুকি হ্ৰাস কৰাৰ লগতে ৰাষ্ট্ৰীয় মহাকাশ সম্পদৰাজিৰ সুৰক্ষাৰ ক্ষেত্ৰত নেত্ৰ প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই প্ৰকল্পত স্থাপন কৰিবলগীয়া অত্যাধুনিক ৰাডাৰৰ জৰিয়তে ভূপৃষ্ঠৰ পৰা মহাকাশৰ ২ হেজাৰ কিলোমিটাৰ পৰ্যন্ত দূৰত্বত উদ্ভৱ হোৱা ন্যূনতম ১০ ছেণ্টিমিটাৰ আকাৰৰ বস্তুও ধৰা পেলাব পৰা যাব। মন্ত্ৰী শ্ৰীমহন্তই ইছ্‌ৰোৰ অধ্যক্ষগৰাকীক অসমত ইছ্‌ৰোৰ এটা আঞ্চলিক কেন্দ্ৰ স্থাপনৰ বাবে অনুৰোধ জনায়।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নাগৰিকসকলক ৰাষ্ট্ৰৰ স্বাৰ্থত সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সংসদ ভৱনত কালি ভাগৱত গীতা সন্দৰ্ভত ড০ সুভাষ কাশ্যপৰ ব্যাখ্যাত্মক ধাৰা বিৱৰণী উন্মোচন কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে পৱিত্ৰ গ্ৰন্থ গীতাই আধ্যাত্মিকতা, ধাৰ্মিকতা আৰু কৰ্তব্যৰ প্ৰতি নিষ্ঠাৰ পথ দেখুৱাই আহিছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি প্ৰচাৰনে ৬৭ বছৰ পূৰ্ণ কৰি আজি ৬৮ বছৰত পদাৰ্পণ কৰিছে। আঞ্চলিক বাতৰি প্ৰচাৰৰ ৬৭ বছৰ জোৰা অবিৰত প্ৰক্ৰিয়াত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অসমৰ বিভিন্ন প্ৰান্তৰ লাখ লাখ শ্ৰোতাক সামৰি লৈছে। বৰ্তমান তথ্য প্ৰযুক্তি আৰু বা-বাতৰিৰ উভৈনদী সময়তো আকাশবাণীৰ বাতৰিৰ প্ৰতি শ্ৰোতাৰ অনুৰাগ আছে। শ্ৰোতাসকলৰ বাবে আকাশবাণীৰ আঞ্চলিক বাতৰি বিশ্বাসযোগ্য, তথ্যনিৰ্ভৰ, নিৰপেক্ষ বুলি বিবেচিত হৈ আহিছে। বৰ্তমান বিভাগটোৱে দৈনিক কেইবাখনো বাতৰি পৰিবেশনৰ লগতে সময়ৰ লগত খোজ মিলাই বিভিন্ন সামাজিক মাধ্যমযোগেও আঞ্চলিক বাতৰিৰ প্ৰচাৰ কৰি আহিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বৰ্তমান ইউটিউব চেনেল AIR News Guwahati আৰু News on AIRৰ লগতে এক্স হেণ্ডেলতো শুনিবলৈ পোৱা যায়।

ooooo

ৰাজ্যত স্বাভাৱিক তাপমানতকৈ কেইবা ডিগ্ৰী চেলছিয়াছ উষ্ণতা বৃদ্ধি পাইছে। গুৱাহাটীত সন্ধিয়া চাৰে ৬ বজাত তাপমান ৩২ ডিগ্ৰী চেলছিয়াছ, শিলচৰত ৩৫ ডিগ্ৰী, গোৱালপাৰাত ৩৩ দশমিক ৩ ডিগ্ৰী, গোলাঘাটত ৩৪ দশমিক ২ আৰু যোৰহাটত ৩৩ দশমিক ৪ ডিগ্ৰী চেলছিয়াছলৈ উষ্ণতা বৃদ্ধি পাইছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা মতে যোৱা ১ মাৰ্চৰ পৰা ৮ মে'লৈ অসমত বৰষুণৰ পৰিমাণ ৩৫ শতাংশ কম হৈছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি কালি লামডিঙত সৰ্বোচ্চ তাপমান ৩৯ দশমিক ৬ ডিগ্ৰী চেলছিয়াছ হৈছে।

দেশৰ কেইবাখনো ৰাজ্যত ইতিমধ্যে হোৱা গ্ৰীষ্ম প্ৰবাহে এইবাৰ অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতো আৰম্ভ হৈছে। বিগত প্ৰায় এটা সপ্তাহ ধৰি অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত গ্ৰীষ্ম প্ৰবাহ চলি আছে। ৰাজ্যখনত দৈনিক পাৰাস্তম্ভ বৃদ্ধি পোৱাৰ ফলত প্ৰাত্যহিক জনজীৱন প্ৰায় স্থবিৰ হৈ পৰিছে।

আনহাতে, উৎকট গৰমৰ ফলস্বৰূপে বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত চুণবাৰীৰ উত্তৰ গোৱৰ্দ্ধন হাইস্কুলত কালি নৱম আৰু দশম শ্ৰেণীৰ ছগৰাকী ছাত্ৰী অসুস্থ হৈ পৰে। বিদ্যালয় কৰ্তৃপক্ষই তৎপৰতাৰে আটাইকেইগৰাকী ছাত্ৰীকে চিকিৎসাৰ বাবে বৰপেটা ৰোড হাস্পতাললৈ প্ৰেৰণ কৰে। আটাইকেইগৰাকী ছাত্ৰী বিপদমুক্ত বুলি চিকিৎসকে জানিবলৈ দিছে।

ooooo

নাহৰকটীয়াৰ চাচনিৰ মেৰবিল পৰিবেশ পৰ্যটন প্ৰকল্পৰ পৰিবেশত ১৩ আৰু ১৪ মে'ত দুদিনীয়াকৈ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ উদ্যোগত সূৰুযমুখী নামৰ বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিবেশ শিক্ষা কাৰ্যসূচীৰ অধীনৰ মিছন লাইভ ইন আছামৰ প্ৰকৃতিৰ সজাগতা শিবিৰ অনুষ্ঠান অনুষ্ঠিত হয়। নতুন প্ৰজন্মৰ মাজত বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে এই প্ৰকৃতি সজাগতা শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰত ডিব্ৰুগড় জিলাৰ ১৪খন চৰকাৰী বিদ্যালয়ৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অৰণ্য মানৱ যাদৱ পায়েঙে উপস্থিত থাকি প্ৰকৃতিৰ প্ৰতি প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে দায়িত্ব সহকাৰে কাম কৰি যাবলৈ উদগণি যোগায়। তেওঁ কয় যে গছপুলি ৰোপণ কৰি পৃথিৱীৰ ভাৰসাম্য ৰক্ষাৰ লগতে সেউজীয়া কৰি ৰখাৰ বাবে সকলোৰে গুৰুত্ব দিব লাগে। সেউজ বনাঞ্চল সুৰক্ষিত নকৰিলে অনাগত দিনত পৰিবেশে ভয়াবহ ৰূপ ল'ব বুলি তেওঁ সকিয়াই দিয়ে।

ooooo

মাজুলী জিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত আৰু মাজুলী জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত কালি ৫১গৰাকী সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক বিদায় সম্ভাষণ জনোৱা হয়। কমলাবাৰীস্থিত ১ নম্বৰ কমলাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত সভাখনত মাজুলী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক সংগীতা বৰুৱা, মাজুলী জিলা অধিবিদ্যা পৰিষদৰ সচিব অভিজিত নাথ আৰু জিলাখনৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

ooooo

সমগ্ৰ দেশৰ লগতে অসমতো ডিজিটেল লেনদেনে দৈনিক নতুন অভিলেখ ৰচনা কৰিছে। বিগত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিটা মাহতে এই লেনদেনে ১০ লাখ কোটি টকা অতিক্ৰম কৰিছে। কোভিড সংক্ৰমণৰ পাছৰে পৰা ডিজিটেল লেনদেন বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। পূৰ্বৰ নেট বেংকিং, এন ই এফ টি, মোবাইল বেংকিং আদিৰ তুলনাত ইউ পি আইৰ ব্যৱহাৰ অধিক সহজ হোৱাত ডিজিটেল লেনদেন জনপ্ৰিয় হোৱা বুলি বিত্ত বিভাগৰ এটা সূত্ৰই জানিবলৈ দিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটীত হ'বলগীয়া এখন খেলত আজি ৰাজস্থান ৰয়েলছ পাঞ্জাব কিংছৰ সন্মুখীন হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে পাঞ্জাব কিংছ ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

ডেলহি কেপিটেলছে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১৯ ৰাণত পৰাস্ত কৰে। খেলখনত ডেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২০৮ ৰাণ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ২০

অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ডেলহি কেপিটেলছ কালিৰ জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চম স্থানলৈ উন্নীত হৈছে। দলটোৱে এইবাৰৰ ১৪খন খেলৰ ৭খনত জয়লাভ কৰি ১৪ পইণ্ট অৰ্জন কৰিছে। আনহাতে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে বৰ্তমানলৈ খেলা ১৩খন খেলৰ ৬খনত জয়লাভ কৰি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ সপ্তম স্থানত আছে। দুয়োটা দল প্লে অফ পৰ্যায়ত প্ৰবেশ কৰাৰ সম্ভাৱনা বাকী খেলসমূহৰ ফলাফলৰ ওপৰত নিৰ্ভৰ কৰিব।

০০০০০

আজি আৰু অহা ১৯ মে'ত গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ টি-২০ ক্ৰিকেট খেল দুখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে আজি আৰু অহা ১৯ মে'ত দিনৰ ৩ বজাৰ পৰা  নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰী অংশত গধুৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই দুয়োটা দিনতে গুৱাহাটীৰ আৰ্য নগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ তিনি বজাৰ পৰা ৱান ৱে হৈ পৰিব। লালগণেশ তিনি আলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হ'ব। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেনপাৰা তিনি আলিলৈও পথছোৱা ৱান ৱে হৈ পৰিব আৰু খেলৰ কাৰ পাছ থকা বাহনেহে চলাচলৰ অনুমতি পাব। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত লোকসভা নিৰ্বাচনত পুনৰ উত্তৰ প্ৰদেশৰ বাৰানসী সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। গংগাত আৰতি কৰি বাৰানসীৰ কাল ভৈৰৱ মন্দিৰত পূজা দি কালি মহাসমাৰোহেৰে প্ৰধানমন্ত্ৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এই বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো নিয়মীয়া বাৰ্তাই **বাৰানসীত মহা সমাৰোহেৰে মনোনয়ন মোদীৰ**,  আমাৰ অসম কাকতে **গংগা স্নান কৰি দলে-বলে মনোনয়ন দিলেগৈ মোদীয়ে**, দি আছাম ট্ৰিবিউন কাকতে Modi Files papers from Varanasi আৰু দ্যা ছেণ্টিনেল কাকতে Modi Files nomination from varanasi, eyes third term শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে। প্ৰধানমন্ত্ৰীয়ে মনোনয়ন পত্ৰৰ সৈতে দিয়া শপতনামাত উল্লেখ কৰা সম্পত্তিৰ হিচাপৰ এটা বাতৰিক অসমীয়া প্ৰতিদিনত **মোদীৰ অস্থাৱৰ সম্পত্তি ৩ দশমিক ০-২ কোটিলৈ বৃদ্ধি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিয়া হৈছে। দেশজুৰি হোৱা মূল্যবৃদ্ধিৰ বাতৰিক কাকতখনে **মূল্যবৃদ্ধিৰ কৰাল গ্ৰাসত সমগ্ৰ দেশ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ কাৰ্যালয়ত কালি গুৰুত্বপূৰ্ণ বিভাগ স্থানান্তৰৰ প্ৰতিবাদত কেইবাটাও দল সংগঠনে  বিক্ষোভ প্ৰদৰ্শন কৰে। এই বাতৰিক **আছুৰ প্ৰতিবাদত স্তব্ধ অইল** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে দৈনিক জনমভূমিয়ে। ৰাজ্যত কমিছে বৰষুণ, বাঢ়িছে উষ্ণতা। এই বাতৰিক দৈনিক অসমত **ৰাজ্যত অনাবৃষ্টি, উৰ্ধমুখী পাৰাস্তম্ভ** শিৰোনামেৰে মুখ্যবাতৰিৰ স্থান দিয়া হৈছে। কটন বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ বৈঠকত হোৱা এটা সিদ্ধান্তক কেন্দ্ৰ কৰি দৈনিক অগ্ৰদূতত **কটনৰ ভূমি গতাব বাহিৰা প্ৰতিষ্ঠানক শিৰোনামেৰে**

মুখ্য বাতৰি পৰিৱেশন কৰা হৈছে।   অসমীয়া খবৰৰ মুখ্য বাতৰিৰ শিৰোনাম **ৰাজ্যত ৫০ শতাংশ হ্ৰাস পাব চাহ উৎপাদন**।

আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত আজি ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছৰ মাজত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল অনুষ্ঠিত হ'ব। এই বাতৰিক কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৯০ কোটিতকৈও অধিক সম্পত্তি, তিনিখন বিলাসী গাড়ী আছে অভিনেত্ৰী তথা হিমাচল প্ৰদেশৰ মাণ্ডি সমষ্টিৰ বিজেপি প্ৰাৰ্থী কংগনা ৰানাৱাটৰ। শপতনামাত দিয়া এই তথ্যক আধাৰ কৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত  বাতৰি পৰিৱেশন কৰিছে।

আজিৰ অন্যান্য বাতৰিৰ ভিতৰত আছে - ইছৰোৰ মুখ্য কাৰ্যালয় ভ্ৰমণ ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তৰ, ৰাজ্যৰ বিভিন্ন ঠাইত অচিন পোকৰ উপদ্ৰৱ, উৎকট গৰমত অসুস্থ উত্তৰ গোৱৰ্ধনা হাইস্কুলৰ কেইবাগৰাকীও ছাত্ৰী, শিলচৰত অভিযান চলাবলৈ যোৱা আৰক্ষীক ভূ মাফিয়াৰ আক্ৰমণ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

ঃসমাপ্তঃ